


# SOPHIA — 'ছ'ফিয়া'

বিশেষ সংখ্যা- মানৱ অধিকাৰ

প্ৰথম প্ৰকাশ- মে, ২০২৬







সম্পাদিকা

হিমাশ্ৰী ডেকা



দৰ্শনভিত্তিক আলোচনী, দৰ্শন বিভাগ

বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰী

# SOPHIA - 'ছফিয়া'

BAPUJEE COLLEGE, SARUKSHETRI
सत्यमेव जयते
BARPETA ★ ESTD. : 1970

**উদ্বোধকৰ একাষাৰ :**

'ছফিয়া' – মানৱ অধিকাৰ – বিশেষ সংখ্যাৰ প্ৰকাশৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ প্ৰচেষ্টাক শলাগ লৈছোঁ আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।

স্বপন দাস
অধ্যক্ষ
৯/৫/২০২৫

প্ৰকাশক,

দৰ্শন বিভাগ,
বাপুজী মহাবিদ্যালয়,
সৰুক্ষেত্ৰী,

এই আলোচনীত প্ৰকাশিত প্ৰবন্ধসমূহৰ সৰ্বস্বত্ব প্ৰকাশকৰ দ্বাৰা সংৰক্ষিত। এই লিখনিসমূহ প্ৰকাশকৰ আগতীয়া অনুমতি অবিহনে পুনৰ প্ৰকাশ কৰিব পৰা নাযাব। লিখনিসমূহত প্ৰকাশিত মতামতৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

মুদ্ৰণ

'মানৱ অধিকাৰ'- দক্ষতা বিকাশ পাঠ্যক্ৰমৰ তৃতীয় সামসিকৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা মুদ্ৰিত।

সম্পাদনা সমিতি

উপদেষ্টা: ড° মিন্টু দেৱী
ড° নমিতা দাস
শ্ৰীযুত ব্যংকেশ্ব বৰুৱা

সম্পাদিকা: হিমাক্ষী ডেকা

সদস্য:

বীতা বৰ্মন,
দিপাশ্মিতা ডেকা,
টিংকু ডেকা
লিপিকা তালুকদাৰ
জেউতি নাথ
ডেইজী ডেকা
বিমা বৰ্মন
ভিক্ষী বৰ্মন
দিপান্বিতা ডেকা

Office of the Principal

# BAPUJEE COLLEGE, SARUKSHETRI

P.O. Sarthebari, Dist.- Barpeta (Assam) PIN- 781307
Accredited "B" Grade by NAAC (2nd Cycle),
Estd: 1970

From: **Dr. Ananta Deka ,M.A, PhD.**
Principal i/c & Secretary
Bapujee College, Sarukshetri
Email-principal.bapujee@gmail.com

Mobile No.: 9954951383
Website:www.bapujeecollege.ac.in

Ref. No. BC/ Date : ৩০/১২/২০২৫

## শুভেচ্ছা বাণী:

জানিবলৈ পাই সুখী হৈছোঁ যে বাপুজী মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে 'ছফিয়া'(SOPHIA) নামেৰে হাতে লিখা আলোচনী এখন প্ৰকাশৰ ইচ্ছা প্ৰকাশ কৰিছে। তেওঁলোকৰ এই প্ৰচেষ্টাৰ দ্বাৰা মহাবিদ্যালয়ৰ অন্যান্য ছাত্ৰ-ছাত্ৰীৰ ওপৰত বৌদ্ধিক চিন্তা ভাবনাৰ প্ৰতিফলন ঘটিব বুলি আমি আশাবাদী। আলোচনীখনৰ উদ্যোক্তাসকল মহাবিদ্যালয়ৰ অইন ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ উৎস হওঁক।

দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাক আমি শলাগ লৈছোঁ। আলোচনীখন সৰ্বাংগ সুন্দৰ হোৱাৰ কামনা কৰিলোঁ। ইয়াৰে কামনা কৰি আটাইলৈ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

অনন্ত ডেকা-

# কৃতজ্ঞতা স্বীকাৰ

SOPHIA – 'ছফিয়াৰ' প্ৰথম বৰ্ষৰ প্ৰথম সংখ্যাটো আপোনা-লোকৰ হাতত তুলি দিবলৈ পাই আমি অত্যন্ত আনন্দিত। এই আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত যিসকলে আমাক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়-সহযোগ আগবঢ়ালে, তেওঁলোকৰ প্ৰতি আমি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বাপুজী মহাবিদ্যালয়ৰ সন্মানীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° অনন্ত ডেকা ছাৰক তেওঁৰ বহুমূলীয়া পৰামৰ্শ আৰু পৃষ্ঠপোষকতাৰ বাবে ধন্যবাদ জনাইছোঁ। লগতে মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সন্মানীয় শিক্ষাগুৰু সকলে আমাক যথেষ্ট সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শ্ৰী হিমাশ্ৰী ডেকা
সম্পাদক

সম্পাদকীয়,

নমস্কাৰ গ্ৰহণ কৰিব, আমি দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এখন হাতে লিখা আলোচনী প্ৰস্তুত কৰি উলিয়াইছোঁ। আলোচনীখনৰ নাম দিয়া হৈছে ছফিয়া 'Sophia'. 'ছফিয়া' শব্দটো হৈছে এটা গ্ৰীক শব্দ, যাৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'wisdom'-'প্ৰজ্ঞা', আৰু দৰ্শনত আমি প্ৰজ্ঞাৰ সাধনা কৰোঁ। এই জগত আৰু জীৱনৰ অন্তৰালত থকা মূল সত্ত্বা বা তত্ত্ব সম্পৰ্কে আমি জ্ঞান অৰ্জন কৰিবলৈ চেষ্টা কৰোঁ। সেয়েহে দৰ্শনৰ এই আলোচনীখনক ছফিয়া 'Sophia' হিচাপে নামাকৰণ কৰিছোঁ। আলোচনীখনৰ প্ৰথম বৰ্ষৰ এই প্ৰথম সংখ্যাটো মূলত মানৱ অধিকাৰৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। মানৱ অধিকাৰ হৈছে প্ৰতিজন মানুহে জন্মসূত্ৰে লাভ কৰা মৌলিক অধিকাৰসমূহ, যাৰ জৰিয়তে জাতি, ধৰ্ম, বৰ্ণ, লিংগ বা স্থান নিৰ্বিশেষে প্ৰতিজন ব্যক্তিৰ মৰ্যদা, স্বাধীনতা আৰু জীয়াই থকাৰ অধিকাৰ সুৰক্ষিত হয়। মানৱ অধিকাৰে ব্যক্তিৰ মৌলিক তথা প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণত সহায় কৰে। মানৱ অধিকাৰে জনসাধাৰণ-

শিক্ষক সহায় কৰে। এই আলোচনীখনত মূলত ধৰ্মনিৰপেক্ষতা, শিশুৰ অধিকাৰ, শিশু শ্ৰম, নাৰীৰ অধিকাৰ, সমতাৰ অধিকাৰ, নাগৰিকৰ অধিকাৰ, সাংস্কৃতিক অধিকাৰ, শিক্ষাৰ অধিকাৰ, মানৱ অধিকাৰ আইন, মানৱ অধিকাৰৰ ধাৰণাৰ বিকাশ ইত্যাদিৰ বিষয়ে আলোচনা কৰা হৈছে।

এই আলোচনীখন প্ৰকাশৰ বাবে যিসকল শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীয়ে সহায়-সহযোগিতা আগবঢ়ালে তেওঁলোকক সম্পাদনা কক্ষৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সদৌ শেষত আমাৰ অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে আমাৰ সন্মানীয় শিক্ষাগুৰু তথা বন্ধু বান্ধৱীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু আলোচনীৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

বাসুজী মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আমাক এখন কৃতজ্ঞতা পত্ৰ প্ৰদান কৰি আমাক যি উৎসাহ দিলে তাৰ বাবে তেখেতলৈ আমি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

০০০

# SOPHIA

ছফিয়া

## সূচীপত্ৰ

■ ধৰ্ম নিৰপেক্ষতা আৰু অধিকাৰ 1-6
■ শিশুৰ অধিকাৰ এক অন্যতম মানৱ অধিকাৰ 7-11
■ শিশু আৰু কিশোৰ শ্ৰম আৰু আমাৰ কৰণীয় 12 - 17
■ নাৰী আৰু নাৰীৰ অধিকাৰ 18 - 21
■ সমতাৰ অধিকাৰ 22 - 24
■ নাগৰিকৰ অধিকাৰ 25 - 29
■ সাংস্কৃতিক অধিকাৰ আৰু মানৱ অধিকাৰ 30 - 33
■ শিক্ষাৰ অধিকাৰ 34 - 35
■ মানৱ অধিকাৰ আইন 36 - 37
■ মানৱ অধিকাৰৰ ধাৰণাৰ বিকাশ 38 - 39

# ধৰ্ম নিৰপেক্ষতা আৰু অধিকাৰ

হিমাশ্ৰী ডেকা

**আৰম্ভণি:** ধৰ্মৰ অধিকাৰ হল এটা অতি প্ৰয়োজনীয় মানৱ অধিকাৰ। কাৰণ অতীজৰে পৰা আমি দেখি আহিছো যে সমাজৰ যিসকল উচ্চ জাতিৰ লোক তেওঁলোকে সদায় নিম্ন জাতিৰ লোকসকলক শোষণ কৰা দেখা যায়। যদিও আমাৰ দেশৰ সংবিধান মতে সকলো নাগৰিক সমান। বৰ্তমান সময়ত ঘটনা নাইকিয়া হৈছে যদিও একেবাৰে নোহোৱা হৈ যোৱা নাই। ই সমাজৰ বাবে এক ব্যাধি স্বৰূপ। গতিকে এই ব্যাধি দূৰ কৰি আমাৰ দেশখনক আগবঢ়াই নিয়াটোৱেই আমাৰ কৰ্তব্য হোৱা উচিত।

ধৰ্মৰ অধিকাৰৰ আৰম্ভণি ভাৰতৰ সংবিধানৰ ২৫-২৮ নং অনুচ্ছেদৰ পৰা হয়। য'ত সকলো নাগৰিকক নিজৰ ধৰ্ম পালন, বিশ্বাস আৰু প্ৰচাৰৰ মৌলিক স্বাধীনতাৰ অধিকাৰ দিয়া হৈছে। ভাৰতীয় সংবিধানৰ এটা মৌলিক অধিকাৰ হৈছে ধৰ্মৰ অধিকাৰ। যি সকলো নাগৰিকক নিজৰ স্বচ্ছন্দৰে ধৰ্ম পালন কৰা, বিশ্বাস কৰা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা দিয়ে।

**বিস্তাৰ:-** মানৱ সভ্যতা বিকাশৰ এক ঐতিহাসিক স্তৰত ধৰ্মৰ উত্থান হয় আৰু ই সমাজ সংগঠন আৰু বিৱৰ্তনৰ ভূমিকা লয়। ক্ৰমান্বয়ে ই সামাজিক ব্যৱস্থা হিচাপে মানুহৰ সমসাময়িক জন-জীৱনৰ অবিচ্ছেদ্য অংগ হৈ পৰাৰ লগে লগে একনায়কত্ববাদী ৰাষ্ট্ৰব্যৱস্থা প্ৰতিষ্ঠাৰ স্থল ভেটি হৈ পৰিল। ধৰ্মৰ প্ৰৱৰ্তক তথা প্ৰচাৰক সকলেই আছিল যুগান্তকাৰী দাৰ্শনিক, চিন্তাবিদ তথা বিজ্ঞানীক।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখযোগ্য ধৰ্মীয় স্বাধীনতাৰ দিতে সংগতি ৰাখি ধৰ্মীয় বিষয়ত ভাৰতবৰ্ষৰ জনসাধাৰণক কিছুমান স্বাধীনতা প্ৰদান কৰা হৈছে। সংবিধানৰ ২৫, ২৬, ২৭ আৰু ২৮ নং অনুচ্ছেদত ধৰ্মীয় অধিকাৰ সন্নিবিষ্ট কৰা হৈছে —

সংবিধানৰ ২৫ নং অনুচ্ছেদত অনুসৰি ভাৰতবৰ্ষত বাস কৰা সকলো মানুহে নিজৰ অভিৰুচি মতে যিকোনো ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰ কৰিব পাৰে, কিন্তু এই অধিকাৰ অবাধ নহয়। আইন শৃংখলা, নৈতিকতা আৰু জনস্বাস্থ্যৰ কাৰণে ৰাষ্ট্ৰই এই অধিকাৰৰ নিয়ন্ত্ৰণ কৰিব পাৰে।

২৬ নং অনুচ্ছেদ মতে ভাৰতীয় নাগৰিক সকলে ধৰ্মীয় অনুষ্ঠান আদি প্ৰতিষ্ঠা কৰিব পাৰে, স্থাবৰ- অস্থাবৰ সম্পত্তি অধিগ্ৰহণ কৰিব পাৰে আৰু বিধিমতে সেই সম্পত্তিৰ ব্যৱহাৰ কৰিব পাৰে।

সংবিধানৰ ২৭ নং অনুচ্ছেদে ধৰ্মৰ নামত নাইবা ধৰ্মীয় অনুষ্ঠানৰ পৰচুৰ বাবে বাধ্যতামূলক ভাবে ৰাজহ তথা কৰ বন্ধ কৰিছে।

ভাৰতীয় সংবিধানৰ ২৮ নং অনুচ্ছেদ মতে চৰকাৰী অৰ্থৰ দ্বাৰা পৰিচালিত কোনো শিক্ষা অনুষ্ঠানত ধৰ্মীয় শিক্ষা দিয়া বন্ধ কৰা হৈছে। চৰকাৰী স্বীকৃতি প্ৰাপ্ত নাইবা চৰকাৰী সাহাৰ্য্য পোৱা কোনো শিক্ষানুষ্ঠানত ধৰ্মীয় শিক্ষা দানৰ ব্যৱস্থা থাকিলেও সেই অনুষ্ঠানত ভৰ্তি হোৱা ছাত্ৰ-ছাত্ৰী নাইবা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ অনুমতি বিনে কোনো ছাত্ৰ-ছাত্ৰীক ধৰ্মীয় শিক্ষা প্ৰদান কৰিব নোৱাৰি। এইবোৰ ব্যৱস্থা থকাৰ পৰা সহজে অনুমান কৰিব পাৰি যে ভাৰত বৰ্ষ এখন ধৰ্মনিৰপেক্ষ দেশ। ধৰ্মৰ ভিত্তিত ইয়াত মানুহৰ মাজত কোনো বৈষম্যৰ সৃষ্টি কৰিব নোৱাৰি।

ধৰ্মৰ অধিকাৰ হৈছে ভাৰতীয় সংবিধানৰ মৌলিক

অধিকাৰসমূহৰ ভিতৰত অন্যতম, য'ত সকলো নাগৰিকক নিজৰ ধৰ্ম পালন, প্ৰচাৰ আৰু বিশ্বাসৰ স্বাধীনতা দিয়া হৈছে। এই অধিকাৰৰ অৰ্থ হৈছে যে কোনো নাগৰিকক তেওঁৰ ধৰ্মৰ বাবে কোনো ধৰণৰ ভেদভাৱ বা শোষণৰ সন্মুখীন হবলৈ নহব আৰু নিজৰ বিশ্বাস অনুসৰি জীয়াই থাকিব পাৰে।

ধৰ্মৰ অধিকাৰে নাগৰিকসকলক নিজৰ ইচ্ছা অনুসৰি যিকোনো ধৰ্ম পালন কৰা, মানি লোৱা আৰু প্ৰচাৰ কৰাৰ স্বাধীনতা দিয়ে। ধৰ্মৰ অধিকাৰে ধৰ্মীয় সম্প্ৰদায় সমূহক নিজৰ ধৰ্মীয় অনুষ্ঠান স্থাপন কৰা, নিজৰ ধৰ্মীয় বিষয়সমূহ সংৰক্ষণ কৰা আৰু সেইবোৰ কাৰ্য সম্পাদন কৰাৰ স্বাধীনতা দিয়ে। যদিও ধৰ্মৰ অধিকাৰটো মৌলিক, ই অসীম নহয়। জনশৃংখলা, নৈতিকতা আৰু জনস্বাস্থ্যৰ দৰে বিষয়ৰ বিৰুদ্ধে যাব পৰাকৈ এই অধিকাৰৰ অপব্যৱহাৰ কৰিব নোৱাৰি।

সমাজত নৈতিকতা স্থাপন, জীৱনত উদ্দেশ্য দিয়া আৰু শান্তি আৰু সম্প্ৰীতিৰ বাবে সহায় কৰাত ধৰ্মৰ প্ৰয়োজনীয়তা আছে। ই মানুহক এক নিৰ্দিষ্ট বিশ্বাসৰ

মধ্যমেৰে আধ্যাত্মিক পথ দেখুৱায় আৰু সামাজিক সৰমৰা নীতি-নিয়ম আৰু পৰিচালক শক্তিশালী কৰে। বিজ্ঞানৰ দৰে ধৰ্মও মানৱ কল্যানৰ অন্যতম পথ হিচাপে বিবেচিত। কোনো ব্যক্তিৰ নিজৰ পছন্দ অনুসৰি কোনো ধৰ্ম বা বিশ্বাস গ্ৰহণ অথবা কোনো ধৰ্মকে বিশ্বাস নকৰাৰ সম্পূৰ্ণ স্বাধীনতা আছে। নিজৰ ধৰ্মীয় বিশ্বাস অনুসৰি উপাসনা, আচাৰ-ব্যৱহাৰ আৰু অন্যান্য ৰীতি-নীতি পালন কৰাৰ আৰু তাক জনোৱাৰ স্বাধীনতা থাকে। ধৰ্মীয় অধিকাৰৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে ৰাজ্য নিৰপেক্ষতা। ইয়াৰ অৰ্থ হৈছে, ৰাজ্যই কোনো এটা বিশেষ ধৰ্মক পৃষ্ঠপোষকতা বা আনতকৈ অধিক গুৰুত্ব নিদিব, বৰঞ্চ সকলো ধৰ্মকে সমান মৰ্যদা দিব। ধৰ্মৰ অধিকাৰক জনস্বাস্থ্য, নৈতিকতা আৰু জনসুৰক্ষাৰ দৰে বিষয়ৰ বাবে সীমাবদ্ধ কৰিব পাৰি। ধৰ্মীয় অধিকাৰৰ সীমাবদ্ধতা নিৰ্ভৰ কৰে সামাজিক আৰু ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰত। যিটোৱে কোনো ব্যক্তিৰ ধৰ্মীয় অধিকাৰক মৌলিক অধিকাৰৰ সীমাৰ ভিতৰত ৰাখে। এই সীমাবদ্ধতাৰ প্ৰধান উদ্দেশ্য হ'ল ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব, সংহতি অখণ্ডতা বজাই ৰখা আৰু জনসাধাৰণৰ শান্তি, সুৰক্ষা নিশ্চিত কৰা।

**আমৰীণ :-** ধৰ্মৰ অধিকাৰ হৈছে ব্যক্তিৰ চিন্তা, বিশ্বাস আৰু ধৰ্মীয় আচাৰ-উপাচাৰ পালনৰ সম্পূৰ্ণ স্বাধীনতা। এই অধিকাৰে প্ৰত্যেকক নিজৰ ইচ্ছামতে ধৰ্ম মানিবলৈ পালন কৰিবলৈ আৰু প্ৰচাৰ কৰিবলৈ অধিকাৰ দিয়ে, কিন্তু আনৰ অধিকাৰ ক্ষতি নকৰে। কোনো ব্যক্তিক চাপ বা বৈষম্য দেখুৱাই ধৰ্ম মানিবলৈ বা পৰিৱৰ্তন কৰিবলৈ বাধ্য কৰা নাযায়। ধৰ্মৰ অধিকাৰে জীৱনৰ মৌলিক স্বাধীনতাক সুৰক্ষিত কৰি বহুমত, সহনশীলতা আৰু সমান অধিকাৰ ভিত্তিক সমাজ গঠন কৰে।

০০০

# শিশুৰ অধিকাৰ এক অন্যতম মানৱ অধিকাৰ

দিপাম্বিতা ডেকা

**আৰম্ভণি :-** শিশু হৈছে দেশৰ অমূল্য সম্পদ। সেইবাবে প্ৰতিটো শিশুৱে এটা সুন্দৰ সুখী আৰু সুৰক্ষিত শৈশৱ পাব লাগে। সন্মান সহকাৰে কোনোধৰণৰ বৈষম্য নোহোৱাকৈ শিশুসকল ডাঙৰ-দীঘল হোৱাৰ সুযোগ পাব লাগে। যিহেতু শিশুসকল হৈছে দেশৰ ভৱিষ্যত নাগৰিক। সেইবাবে তেওঁলোকক পাবলগীয়া অধিকাৰবিলাক দিব লাগে। তেওঁলোকে অধিকাৰবিলাক পালেহে আগবাঢ়িব পাৰিব। অধিকাৰৰ পৰা যদি বঞ্চিত হ'বলগীয়া হয় তেতিয়া তেওঁলোকে ভৱিষ্যতে সু- নাগৰিক হ'ব নোৱাৰিব। শিশু এজনক ভৱিষ্যতে সু- নাগৰিক কৰিবলৈ হ'লে শিশুজনৰ পিতৃ- মাতৃ তথা শিক্ষক সকলৰ লগতে সমাজৰ শ্ৰেষ্ঠ ব্যক্তিসকলে তেওঁলোকৰ প্ৰাপ্য বিলাক প্ৰদান কৰিব লাগে। লগতে শিশুসকলক সু-আচাৰ ব্যৱহাৰ শিকাব লাগে। কাৰণ শিশুসকলে কোনটো কাম ভাল কোনটো কাম বেয়া, সেই বিষয়ে একো নাজানে।

**বিস্তাৰ :-** ভাৰতত ১৪ নৱেম্বৰৰ দিনা পণ্ডিত জৱাহৰলাল নেহেৰুৰ জন্মদিনত শিশু দিৱস হিচাপে পালন কৰা হয়, আৰু অসমত ৪ মাৰ্চত "শিশু সুৰক্ষা দিৱস" হিচাপে পালন কৰা হয়। এইবোৰ দিৱস পালন কৰো যদিও শিশুসকল সচাই সুৰক্ষা হৈ আছে নে নাই তাৰ ওপৰত সমাজৰ শিক্ষিত ব্যক্তিসকলে গুৰুত্ব দিব লাগে। কাৰণ ১৮ বছৰ সম্পূৰ্ণ নোহোৱালৈকে সকলো লৰা - ছোৱালীকে শিশু বুলি গন্য কৰা হয়। ১৮ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত এজন শিশু প্ৰাপ্ত: বয়স্ক ৰূপে স্বীকৃত হয়। আৰু ভোট দান কৰিব পাৰে লগতে দেশৰ নাগৰিক হিচাপে পৰিচিত হয়। জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ নিৰ্বিশেষে প্ৰত্যেকে যাতে চৰকাৰে দিয়া অধিকাৰবিলাক ভোগ কৰিব পাৰে, তাৰ বাবে তেওঁলোকৰ পৰিয়ালে গুৰুত্ব দিব লাগিব। মাক - দেউতাকৰ জীৱিকা বা শাৰীৰিক অক্ষমতা বাবে কোনো শিশুৱে যাতে তেওঁলোকৰ প্ৰাপ্য অধিকাৰৰ পৰা যাতে বঞ্চিত নহয়। কাৰণ সকলো শিশুৱে আমাৰ দেশৰ বৰ্তমানৰ লগতে ভৱিষ্যত নাগৰিক। সকলো শিশুৱে জন্মৰ পঞ্জীয়ন বাধ্যতামূলক আৰু জন্মৰ প্ৰমাণ পত্ৰ

পোৱাটো সকলো শিশুৰ একোটা একোটা অধিকাৰ। শিশু সকলে নিজৰ মাক দেউতাকৰ লগতে পৰিয়ালৰ মানুহৰ লগত মৰমৰ সম্পূৰ্ণ অধিকাৰ আছে। কোনো কাৰণত নিজৰ মাক-দেউতাক নাথাকিলে, শিশুটিক পৰিয়ালৰ মানুহৰ লগতে সমাজৰ লোকসকলেও মৰম-আদৰ কৰাটো উচিত। শিশু এজনৰ পিতৃ-মাতৃ নোহোৱা হলে তেওঁ নিজৰ ঘৰত, ঘৰৰ বাহিৰত, পৰিয়ালৰ লগত, আনুষ্ঠানিক শিশুগৃহত, বিদ্যালয়ত তেওঁক কোনেও মানসিক আৰু শাৰীৰিক শ্ৰম কৰিবৰ বাবে বাধ্য কৰিব নোৱাৰিব। শিশুটি সকলো ধৰণৰ হাৰাশাস্তিৰ পৰা সুৰক্ষিত হৈ থকাটো শিশুটিৰ অধিকাৰ। শিশু এটাই পুষ্টিকৰ খাদ্য, পিন্ধিবলৈ কাপোৰ আৰু থাকিবলৈ এখন সুৰক্ষিত ঠাই পোৱাটো শিশুটিৰ মৌলিক অধিকাৰ। এই অধিকাৰ সমূহ যদি পোৱা নাই, তেতিয়া চৰকাৰৰ সহায়লৈ উপভোগ কৰিব পাৰিব। শিশু এজনৰ উচ্চমানদণ্ডৰ শিক্ষা লাভ কৰাটো অধিকাৰ। তেওঁলোকে প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ পাছত যাতে তেওঁলোকে যিমান মন যায় সিমানে উচ্চ শিক্ষা লব পাৰে। এই ক্ষেত্ৰত শিশুসকলক আমি

উৎসাহিত কৰাটো আমাৰ কৰ্তব্য। শিশুসকলে নিজা-নিজা ধৰ্ম, ভাষা, সংস্কৃতি মানি চলাটো তেওঁলোকৰ অধিকাৰ আছে। যদি কোনোবাই বেলেগ ভাষা, ধৰ্ম গ্ৰহণ কৰিব বিচাৰে তাতে কোনো বাধা নাই। শিশুসকলৰ খেল-ধেমালি কৰাৰ অধিকাৰ আছে, খেল ধেমালিৰ লগতে যাতে তেওঁলোকে সময়মতে জিৰণি পোৱাটো উচিত। শিশুসকলে বিভিন্ন ধৰণৰ নিচাজাতীয় দ্ৰব্যৰ কু-প্ৰভাৱৰ পৰা সুৰক্ষিত হৈ থাকিব লাগে। আৰু তেওঁলোকক ঘৰ, বিদ্যালয়ত শিশু গৃহত হোৱা যিকোনো অত্যাচাৰৰ পৰা সুৰক্ষিত হৈ থকাৰ সম্পূৰ্ণ অধিকাৰ আছে, আৰু তেওঁলোকে যিকোনো ধৰণৰ যৌন নিৰ্যাতনৰ বলীৰ অন্ত যাতে সোনকালে ছোৱালীসকলক বিয়া নিদিলে। ছোৱালীসকলৰ লৰাৰ সমানে অধিকাৰ আছে।

শিশু সকলৰ কিছুমান গুৰুত্বপূৰ্ণ অধিকাৰ হৈছে—

(i) হিংসা, শোষণৰ পৰা সুৰক্ষিত হৈ থকা,

(ii) পাৰিবাৰিক জীৱন লাভ কৰা

(iii) নিজৰ মত প্ৰকাশ কৰা

(iv) শিক্ষা লাভ কৰা।

(v) পুষ্টিকৰ খাদ্য, পিন্ধিবলৈ কাপোৰ আৰু থাকিবলৈ এখন সুৰক্ষিত ঠাই পোৱা।

(v) স্বাস্থ্যসেৱা লাভ কৰা

(vi) গুণগত শিক্ষা লাভ কৰা।

(vii) শিশু শ্ৰমৰ পৰা সুৰক্ষিত হৈ থকা।

(viii) নিচাজাতীয় দ্ৰব্যৰ কু-প্ৰভাৱৰ পৰা সুৰক্ষিত হৈ থকা।

(ix) আইনগত সাহাৰ্য্য লাভ কৰা।

**সামৰণি :-** শিশুসকলে যিবোৰ অধিকাৰ পাবলগীয়া, সেই বোৰ অধিকাৰ পাইছে নে নাই, সেইবোৰ আমি ভালদৰে চাব লাগিব. সকলোৰে সমান সা-সুবিধাবোৰ পাইছে নে কিছুমানে পোৱা নাই, সেইবোৰ আমি ভালদৰে বিবেচনা কৰিব লাগিব। জাতি, ধৰ্ম, বৰ্ণ, লিংগ নিৰ্বিশেষে সকলোৰে সমান অধিকাৰ পাব লাগিব। দেশৰ কোনো শিশুৱে যাতে শিশু শ্ৰমিক হিচাপে নিযুক্তি নহয়, সেই বিষয়ে আমি সজাগ হব লাগিব।

০০০

# শিশু আৰু কিশোৰ শ্ৰম আৰু আমাৰ কৰণীয়

টিংকু ডেকা

**আৰম্ভণি :-** শিশু শ্ৰমিক হৈছে এক গভীৰ সামাজিক সমস্যা। শিশুসকল, যি সকলৰ বয়স সাধাৰণতে ১৪ বছৰৰ তলত, বিভিন্ন কাৰণত শ্ৰমিক হিচাপে কৰ্মৰত হয়, এই সমস্যা বৰ্তমান সমাজৰ বাবে এক জলন্ত চিন্তা, যাৰ বাবে জীৱনৰ মৌলিক অধিকাৰসমূহৰ ক্ষতি হয় আৰু উন্নয়ন সীমাবদ্ধ হয়। শিশু শ্ৰমিক হৈছে সেই শিশু যিয়ে শ্ৰমিক হিচাপে কাম কৰে। এই শ্ৰমিক হিচাপে কাম কৰাটো শিশু জীৱনৰ ফল নহয়, কিন্তু বেছি ক্ষেত্ৰতে তেওঁলোকক পৰিয়ালৰ আৰ্থিক সমস্যা উন্নত কৰিবলৈ বাধ্য কৰা হয়। কিন্তু শ্ৰমিকৰ ব্যৱহাৰ এক মনোৰোম বাস্তৱ, যি শাৰীৰিক, মানসিক আৰু সামাজিক বিকাশৰ বাবে এক বৃহৎ বাধা। শিশু আৰু কিশোৰ শ্ৰম সমস্যা কেৱল অৰ্থনৈতিক বৈষম্যৰ ফল নহয়, ই সমাজৰ মানৱিক মূল্যবোধৰ পতনৰো প্ৰমাণ। অতি কম বয়সত কঠোৰ পৰিশ্ৰমত জড়িত হোৱা শিশুসকল শাৰীৰিক, মানসিক আৰু শিক্ষাগত বিকাশৰ পৰা বঞ্চিত হয়। শৈশৱৰ মাধুৰ্য্য হেৰুৱাই মোৰা এই শিশু সকলৰ ভৱিষ্যত সংকটাপন্ন হৈ পৰে।

**বিস্তাৰ :-** শিশু আৰু কিশোৰ শ্ৰম হৈছে আজিৰ সমাজৰ অন্যতম ডাঙৰ সমস্যা। দৰিদ্ৰ, অশিক্ষা, সমাজৰ অচেতনতা আৰু পিতৃ-মাতৃৰ আৰ্থিক দুৰ্দশাত বহু শিশু বিদ্যালয় ত্যাগ কৰি কৰ্মক্ষেত্ৰলৈ ধাবিত হয়। দোকান, শিল্প প্ৰতিষ্ঠান, ঘৰত কাম, নিৰ্মাণ ক্ষেত্ৰ, চুৰি, তমচা পৰিষ্কাৰ, লেবৰ কাম বা অন্য বিপদজনক ক্ষেত্ৰত শিশু বয়সৰ মানুহক কাম কৰোৱা হয়। ফলত সিহঁতৰ শৈশৱ নষ্ট হয়, শিক্ষাৰ সুযোগ হেৰুৱায় আৰু শাৰীৰিক মানসিক বিকাশতো বিঘ্নিত হয়।

শিশুবয়সত শ্ৰম কৰাটো কেৱল আইন লংঘন নহয়, ই মানৱাধিকাৰৰ অশ্লীল অপব্যৱহাৰ। অতি কম বয়সৰ শিশুৱে কঠোৰ পৰিশ্ৰমৰ ফলত স্বাস্থ্য সমস্যা, পুষ্টিহীনতা, মানসিক আঘাত আৰু জীৱনপথৰ দিশ হেৰুৱাব লগা অৱস্থাৰ সন্মুখীন হয়। আনহাতে, শিশুশ্ৰম সমাজৰ অৰ্থনৈতিক বিকাশো বাধাগ্ৰস্ত কৰে, কাৰণ শিক্ষাবিহীন শিশুৱে ভৱিষ্যতে যোগ্য জনশক্তি হৈ নুঠে। এমন সমাজে ইয়াৰ শিশুসকলক কৰা ব্যৱহাৰতেই সমাজজীৱনৰ আত্ম প্ৰকাশ পায়। আজিৰ শিশু কাইলৈৰ দেশৰ নাগৰিক। গতিকে তেওঁলোকক উপযুক্ত নাগৰিক হিচাপে গঢ়ি তুলিবলৈ হ'লে শিশু অৱস্থাৰে পৰাই তেওঁলোকৰ সঠিক শাৰীৰিক আৰু মানসিক বিকাশৰ প্ৰতি গুৰুত্ব প্ৰদান

কৰাৰ লগতে প্ৰতিজন শিশুৱে যাতে শিক্ষা লাভৰ পৰা বঞ্চিত হ'ব লগা নহয়, তাৰ প্ৰতি বিশেষ চকু ৰখা অতি প্ৰয়োজনীয়। কিন্তু দুখৰ বিষয় যে ইছাপত ভাৰতৰ প্ৰতি ১০ জন শ্ৰমিকৰ মাজত এজনকৈ শিশু শ্ৰমিক। পিতৃ- মাতৃৰ নিৰক্ষৰতা, কৰ্মহীনতা অথবা অন্যান্য কাৰণত চৰম দৰিদ্ৰত ভোগা এইসকল শিশু পৰিয়ালটোৰ বাবে দুবেলা দুমুঠি খাদ্য যোগাবৰ বাবে বাধ্যি হৈ শ্ৰম কৰিবলৈ ওলাই যাব লগা হৈছে। ফলস্বৰূপে, এই সকল শিশু শিক্ষা লাভৰ পৰা বঞ্চিত হৈ থাকে। কেৱল সেয়াই নহয়, কোমল বয়সতে দৈহিক শ্ৰম কৰিব লগা হোৱাৰ বাবে এই শিশুসকলৰ শাৰীৰিক মানসিকভাৱেও ক্ষতিগ্ৰস্ত হৈছে। কৰ্মক্ষেত্ৰত সংঘটিত হোৱা নানা দুৰ্ঘটনা, অমানুষিক শ্ৰম, পুষ্টিহীন খাদ্য, ক্ষতিকাৰক ৰাসায়নিক পদাৰ্থৰ সংস্পৰ্শ আদিয়ে বহু শিশু শ্ৰমিকৰ স্বাস্থ্যৰ দীৰ্ঘস্থায়ী ক্ষতি সাধন কৰিছে। পিতৃ- মাতৃৰ আদৰ- আশ্বাসৰ মাজত খেলা- ধুলা কৰি সময় পাৰ কৰিব লগা বয়সতে কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা কঠোৰ পৰিস্থিতি লঘু দোষত ভুগিব লগা হোৱা গুৰু শাস্তি আদিয়ে তেওঁলোকৰ মানসিকতাতো যথেষ্ট কু-প্ৰভাৱ পেলায় ফলস্বৰূপে তেওঁলোকৰ মাজত উগ্ৰতা, অপৰাধপ্ৰৱণতা হতাশা আদিয়ে গা কৰি উঠে।

ভাৰতীয় সংবিধানৰ ২৪ নং অনুচ্ছেদত ১৪ বছৰ বয়সৰ তলৰ শিশুক দীৰ্ঘম্যাদী শাৰীৰিক আৰু মানসিক ক্ষতিসাধিন হব পৰা যিকোনো বিপদজনক উদ্যোগত নিয়োগ কৰাত বাধা প্ৰদান কৰাৰ উপৰি কাৰখানা আইন - ১৯৪৮ ত ১৪ বছৰ বয়সৰ তলৰ শিশুক শ্ৰমিক হিচাপে নিয়োগ কৰাটো নিষিদ্ধ কৰা হৈছে যদিও আইনকেইখনে সম্পূৰ্ণভাৱে শিশুশ্ৰম ৰোধি কৰাত সফল হোৱা নাছিল। কোনবিলাক কৰ্মক্ষেত্ৰত শিশুক শ্ৰম কৰাৰ পৰা বাৰণ কৰা হব; কোনবিলাত শিশুৱে শ্ৰম কৰিব পাৰিব. শিশুৱে কাম কৰিব পৰা ক্ষেত্ৰসমূহৰ কাম কৰাৰ পৰিৱেশ কেনে হব আদি বিষয়বোৰ সম্পৰ্কত কোনখন আইনতে স্পষ্ট নিৰ্দেশনা নাছিল। গতিকে এই সকলো বিষয় সামৰি কেন্দ্ৰীয় চৰকাৰে ১৯৮৬ চনত "শিশুশ্ৰম নিবাৰণ আৰু নিয়ন্ত্ৰণ আইন" প্ৰণয়ন কৰে। তাৰে ভিতৰত ১৪ বছৰ বয়সৰ তলৰ শিশুসকলক নিজৰ পৰিয়ালৰ ব্যৱসায় আৰু চিনেমা, দূৰদৰ্শনৰ অনুষ্ঠান, ৰেডিঅ'ৰ অনুষ্ঠান, নাটক আদিত শিশু-শিল্পী হিচাপে কাম কৰাৰ বাহিৰে আন কোনো ধৰণৰ কামত নিয়োগ কৰাৰ পৰা আইনখনে বাধা প্ৰদান কৰিছে আৰু এই সমূহ কামতো নিয়োগ কৰিব পাৰিব কেৱল স্কুল ছুটিৰ পাছত নাইবা স্কুল বন্ধ থকাৰ সময়তহে উল্লেখ কৰি শ্ৰম প্ৰদৰ্শনসমূহৰ

বাহিৰে আন কিবা কলা প্ৰদৰ্শন কৰিব পাৰিব। মন কৰিব লগীয়া কথা যে চাৰ্কাচত খেল দেখুওৱা নাইবা পইচা খটিবৰ বাবে ৰাস্তাই ঘাটে খেল দেখুওৱা আদি কাম কৰাৰ পৰা আইনখনে শিশুসকলক সম্পূৰ্ণভাৱে নিষেধ কৰিছে। আনহাতে, ১৪ বছৰৰ পৰা ১৮ বছৰ বয়সৰ ভিতৰত কিশোৰসকলৰ ক্ষেত্ৰত পৰিয়ালৰ ব্যৱসায় আৰু চিনেমা, দূৰদৰ্শনৰ অনুষ্ঠান, ৰেডিঅ'ৰ অনুষ্ঠান, নাটক আদিত শিল্পী হিচাপে কাম কৰাৰ বাহিৰে আন সকলো ধৰণৰ বিপদজনক কামত নিয়োগ কৰাৰ পৰা আইনখনে বাধা প্ৰদান কৰিছে। উল্লেখযোগ্য যে শিশু আৰু কিশোৰ দুয়ো ক্ষেত্ৰতে আইনখনে বাধা প্ৰদান কৰিছে। উল্লেখ যোগ্য যে শিশু আৰু কিশোৰ দুয়ো ক্ষেত্ৰতে আইনখনে আৰোপ কৰা নিষেধসমূহ উলংঘন হ'লে ছমাহৰ পৰা দুবছৰ পৰ্যন্ত কাৰাবাস আৰু ২০,০০০ ৰ পৰা ৫০,০০০ হাজাৰ পৰ্যন্ত জৰিমনা হ'ব পাৰে। যদি কোনো পিতৃ-মাতৃয়ে ভেঁওলোকৰ শিশু সন্তানক যাবলৈ নিদি বলপূৰ্বকভাৱে পৰিয়ালৰ ব্যৱসায়ত চিনেমা চিৰিয়েলত শিশু শিল্পী হিচাপে অথবা আন কিবা শিশুৰ বাবে নিষিদ্ধ কামত নিয়োগ কৰে। তেন্তে তেনে পিতৃ-মাতৃৰ বিৰুদ্ধেও শাস্তিৰ ব্যৱস্থা আইনত আছে।

**সামৰণি :-** শিশুশ্ৰম ৰোধ কৰিবৰ বাবে এতমন কঠোৰ আইন থকা সত্ত্বেও আমাৰ সমাজৰ পৰা ইয়াকে সম্পূৰ্ণৰূপে নিৰ্মূল কৰাটো হৈ উঠা নাই। বিশেষকৈ এতিয়াও আমাৰ সমাজত শিশু শ্ৰমিক নিয়োগ কৰা দেখা যায়। হোটেল, ৰেষ্টুৰেণ্ট আদিৰ কথা বাদেই, বহু উচ্চশিক্ষিত পৰিয়ালতো এতিয়াও ঘৰুৱা, 'বনকৰা, কেঁচুৱা ৰখা' আদি কামৰ বাবে শিশু শ্ৰমিক নিয়োগ কাৰ্য চলিয়েই আছে। এনেদৰে হ'লে শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হোৱা এইসকল শিশুৱে প্ৰাপ্তবয়স্ক হোৱাৰ পাছতো, কাহানিও দৰিদ্ৰৰ বৃত্তৰ পৰা নিজকে বাহিৰলৈ আনিবলৈ সক্ষম নহ'ব। ফলত আমাৰ সমাজৰ সৰ্বাংগীন উন্নতি বাধা প্ৰাপ্ত হ'ব। শিশুশ্ৰম সম্পূৰ্ণভাৱে ৰোধ কৰিবলৈ হ'লে সমাজৰ প্ৰতিজন নাগৰিক সচেতন হোৱাই নহয়, সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ মাজত শিশুশ্ৰমৰ বিৰুদ্ধে সজাগতা আনিবলৈ চেষ্টা কৰিব লাগিব। আৰ্থিকভাৱে অনগ্ৰসৰ লোক সকলৰ মাজত এই আইন, তাৰ উলংঘনৰ ফলত হ'ব লগা শাস্তি আদিৰ বিষয়ে প্ৰচাৰ কৰাৰ লগতে তেওঁলোকৰ শিশু সন্তানক স্কুললৈ পঠিয়াবলৈ উৎসাহিত কৰা প্ৰয়োজন।

০০০

# নাৰী আৰু নাৰীৰ অধিকাৰ

শিশিক্ষা তালুকদাৰ

**আৰম্ভণি :-** নাৰীৰ অধিকাৰ হৈছে বিশ্বজুৰি মহিলা আৰু ছোৱালীৰ বাবে কৰা মৌলিক প্ৰাপ্য আৰু স্বাধীনতা। ইয়াক প্ৰায় ৭০ বছৰ আগতেই ৰাষ্ট্ৰসংঘই পৃথিৱীৰ প্ৰতিজন মানুহৰ বাবে সন্নিৱিষ্ট কৰিছিল। আজিৰ যুগত নাৰীয়ে অধিক গুৰুত্ব লাভ কৰিছে। নাৰী আৰু পুৰুষৰ সমান অধিকাৰ আৰু সুযোগ লাভ কৰা দেখা যায়। ইতিহাসত বহু সময় ধৰি নাৰীয়েই প্ৰায় বৈষম্য, হিংসা আৰু সমাজৰ বিধাৰ সন্মুখীন হব লগা হৈছিল। কিন্তু আধুনিক সমাজত এই বৈষম্যৰ দূৰ কৰাৰ প্ৰচেষ্টা চলিছে।

**বিস্তাৰ :-** নাৰীৰ অধিকাৰ কেৱল ঘৰৰ ভিতৰৰ এক অধিকাৰ নহয়, এই অধিকাৰ জীৱনৰ নাৰীসকলে সকলো ক্ষেত্ৰতে পোৱা উচিত। যেনে:- শিক্ষা, কৰ্মসংস্থাপন, ৰাজনীতি আৰু সামাজিক ক্ষেত্ৰতো সমান অধিকাৰ লাভ কৰা। শিক্ষা ক্ষেত্ৰত নাৰীয়ে আগবাঢ়ি আহিছে আৰু বহু ক্ষেত্ৰত শীৰ্ষক স্থান লাভ কৰিছে। কৰ্মসংস্থানত

নাৰীৰ অংশ গ্ৰহণ বৃদ্ধি পাইছে, যাৰ ফলত তেওঁলোকে নিজৰ অৰ্থনৈতিক স্বাধীনতা লাভ কৰিছে। ৰাজনৈতিক ক্ষেত্ৰতো নাৰীয়ে নিজৰ স্থান সুনিশ্চিত কৰিছে, যাৰ দ্বাৰা সমাজত নাৰীৰ সমস্যা আৰু অধিকাৰৰ বিষয়ে অধিক মনোযোগ দিয়া হৈছে। এই মূল্য অধিকাৰ জীৱনৰ সকলো দিশতে মৰ্যদা, সন্মান, শালীনতাৰ অধিকাৰ। লিংগভিত্তিক হিংসাৰ পৰা মুক্তি যত ঘৰুৱা হিংসা, যৌন নিৰ্যাতন, আক্ৰমণ আৰু সৰবৰাহৰ অন্তৰ্ভুক্ত যৌন প্ৰজনন অধিকাৰকে ধৰি সুলভ মূল্যৰ স্বাস্থ্যসেৱাৰ সুবিধা যেনে গৰ্ভনিৰোধ, নিৰাপদ প্ৰসৱ আৰু প্ৰজননৰ সম্পৰ্কে বাছনি কৰাৰ স্বাধীনতা। আইনৰ আগত সুৰক্ষা আৰু সমতাৰ বাবে মহিলাসকলে বৈষম্য বা অন্যায়ৰ সন্মুখীন হব নালাগে।

কিন্তু অঞ্চলত আৰু পৰিসৰত নাৰীৰ ওপৰত বৈষম্য আৰু অন্যায় আচৰণ অব্যাহত আছে। এই সমস্যাবোৰ দূৰ কৰিবলৈ সমাজৰ সকলো স্তৰে সচেতনতা বৃদ্ধি কৰা উচিত। নাৰীৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে আইনগত ব্যৱস্থা আৰু সামাজিক মনোভাৱ দুয়ো উন্নত কৰিব লাগিব।

আন্তৰ্জাতিক গঠনসমূহ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য নিৰ্মূলকৰণ চুক্তি (CEDAW) ৰ দৰে স্থল আন্তঃ ৰাষ্ট্ৰীয় সন্ধিসমূহ বৈষম্য দূৰ কৰা আৰু আন্তঃ বস্তু নিৰ্ধি সমতাক প্ৰমাণিত কৰাৰ বাবে ৰাজ্যিক বাধ্যবাধকতা সমূহৰ বিশদ বিৱৰণ দিয়ে। এই চুক্তিসমূহে চৰকাৰ সমূহক সকলো ক্ষেত্ৰতে মহিলা অধিকাৰ সুৰক্ষিত আইন প্ৰণয়ন আৰু বলবৎ কৰিব লাগিব। নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিক। ভাৰতীয় সংবিধানত ১৪ নং অনুচ্ছেদৰ অধীনত সমতা আৰু ২১ নং অনুচ্ছেদৰ অধীনত জীৱন আৰু মৰ্যাদাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰে, কৰ্মক্ষেত্ৰত হাৰাশাস্তি আৰু মজুৰিৰ বৈষম্য। হিন্দু উত্তৰাধিকাৰ সংশোধিনী আইন যেনৰ দৰে শেহতীয়া সংশোধিনী সমূহে মহিলা সকলৰ সম্পত্তিৰ অধিকাৰ শক্তিশালী কৰিছে। অবিৰত প্ৰত্যাহ্বান সমূহ অগ্ৰগতিৰ সত্ত্বেও বিশ্বজুৰি বহু মহিলাৰ এতিয়াও সম্পূৰ্ণ অধিকাৰ আৰু সুৰক্ষাৰ অভাৱ।

**আমৰণি :** নাৰীৰ অধিকাৰ নিশ্চিত কৰাটো সমাজৰ উন্নতিৰ বাবে অত্যন্ত প্ৰয়োজনীয়। নাৰীয়ে পুৰুষৰ সমান অধিকাৰ লাভ কৰিলে সমাজত শান্তি, সমৃদ্ধি আৰু সমতা স্থাপন হয়। সেয়া নিশ্চিত কৰিবলৈ সকলোৰে সহযোগিতা আৰু সচেতনাৰ আৱশ্যক।

০০০

# সমতাৰ অধিকাৰ

ৰীতা বৰ্মন.

**আৰম্ভণি:** সমতাৰ অধিকাৰ হৈছে ভাৰতীয় সংবিধানৰ এক মৌলিক অধিকাৰ। সমতাৰ অধিকাৰে নিশ্চিত কৰে যে দেশৰ সকলো নাগৰিক আইনৰ চকুত সমান। এই অধিকাৰৰ অধীনত চৰকাৰে সকলো নাগৰিকক আইনী সুৰক্ষা আৰু সমান সুযোগ প্ৰদান কৰে। সমতাৰ অধিকাৰ হৈছে এটা মৌলিক, ন্যায়িক আৰু নীতিগত ধাৰণা যাৰ মূল উদ্দেশ্য হৈছে সকলো মানুহক আইনৰ দৃষ্টিত একে মৰ্যদা আৰু সুযোগ প্ৰদান কৰা, আৰু এই আইনৰ আধাৰত অবৈধ বৈষম্য বেধি কৰিবলৈ সাজু কৰা হয়। সমতাৰ অধিকাৰ মানে সকলো ব্যক্তিৰ বাবে আইনৰ দৃষ্টিত সমান অধিকাৰ, জাতি, ধৰ্ম, লিংগ বা জন্মস্থান নিৰ্বিশেষে কোনো বৈষম্য নকৰা আৰু সকলোৰে বাবে সমান সুযোগ নিশ্চিত কৰা, যি এখন ন্যায়ভিত্তিক সমাজৰ ভিত্তি আৰু নাগৰিকৰ মৰ্যদাও স্বাধীনতাৰ বাবে অত্যাৱশ্যকীয়। ইয়াৰ দ্বাৰাই সকলোৰে বাবে শিক্ষা, স্বাস্থ্য আৰু নিয়োগৰ সমান প্ৰৱেশাধিকাৰ নিশ্চিত কৰা হয়, যাৰ ফলত সমাজৰ উন্নতি হয়।

**বিস্তাৰ :** সমতাৰ অধিকাৰ হৈছে সকলো মানুহৰ বাবে সমান অধিকাৰ আৰু সন্মানৰ প্ৰতিশ্ৰুতি। ই এক মৌলিক অধিকাৰৰ অংশ হিচাপে গণ্য হয়, যি মানুহৰ জাতি, লিংগ, ধৰ্ম বা অন্য কোনো পাৰ্থক্যৰ ওপৰত নিৰ্ভৰ নকৰে। ভাৰতৰ সংবিধানত "সমতাৰ অধিকাৰ" কথা বিশেষকৈ ধৰা হৈছে। ভাৰতৰ সংবিধানৰ ধাৰা ১৪ ৰ অধীনত, সকলো নাগৰিকৰ বাবে আইনী সমতা নিশ্চিত কৰা হৈছে। সমতাৰ অধিকাৰ মৌলিক দিশসমূহ হ'ল— সকলো নাগৰিকক আইনৰ দৃষ্টিত সমান বুলি গণ্য কৰা হয়, আৰু আইন সকলোৰে বাবে সমানভাৱে প্ৰযোজ্য। সকলো নাগৰিকক শিক্ষা নিয়োগ আৰু অন্যান্য চৰকাৰী বা অৰ্থনৈতিক সুযোগৰ ক্ষেত্ৰত সমান সুযোগ দিয়া হয়। সকলো নাগৰিকৰ ৰাজনৈতিক অধিকাৰ যেনে:- ভোটাধিকাৰ, চৰকাৰৰ প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ আৰু চৰকাৰী পদত নিযুক্তিৰ অধিকাৰ থাকে। কোনো ব্যক্তি বা জাতি, ধৰ্ম বা জন্মস্থানৰ ওপৰত ভিত্তি কৰি বৈষম্য কৰিব নোৱাৰে। ৰাষ্ট্ৰই আইন প্ৰণয়ন/ প্ৰয়োগত বৈষম্য কৰিব নালাগে, আইনে সকলোকে সমান সুৰক্ষা দিয়ক।

**সামৰণি :** সকলো ব্যক্তিয়ে জাতি, ধৰ্ম, লিংগ, ভাষা, জন্মস্থান আদি কোনো ধৰণৰ ভেদাভেদ নকৰাকৈ একে অধিকাৰ লাভ কৰা। ভাৰতীয় সংবিধানত এই অধিকাৰ অনুচ্ছেদ ১৪-১৮ ৰ অধীনত সুৰক্ষিত, আৰু ই সকলোকে আইনৰ আগত সমান বুলি ঘোষণা কৰে আৰু সমান সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰে। আৰু ই সমাজৰ বৈষম্যমূলক আচাৰ - ব্যৱহাৰ দূৰ কৰাত সহায় কৰে। আনহাতে, আধুনিক গণতান্ত্ৰিক সমাজৰ ভিত চিহ্ন। এই অধিকাৰে ব্যক্তিৰ মৌলিক সন্মান বজাই ৰখাৰ উপায় প্ৰদান কৰে আৰু সামাজিক ন্যায় আৰু সামঞ্জস্য বৃদ্ধিত সহায় কৰে। কিন্তু কেৱল এই আইন অৰ্থনৈতিক নীতি আৰু সক্ৰিয় প্ৰয়োগ অভিপ্ৰেত। আনহাতে দেশ, সমাজ আৰু ব্যক্তি মিলি কাম কৰিলেই সমতা সম্পূৰ্ণ ৰূপে স্থাপন কৰিব পাৰি।

০০০

# নাগৰিক অধিকাৰ

ৰিম্পী বৰ্মন

**আৰম্ভণি :-** নাগৰিক অধিকাৰ মানে হ'ল এখন দেশৰ জনসাধাৰণৰ ব্যক্তিত্ব, বিকাশ আৰু মৰ্যদাপূৰ্ণ জীৱন যাপনৰ বাবে প্ৰদান কৰা কিছুমান আইনী আৰু নৈতিক সুযোগ-সুবিধা। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সফলতা আৰু শক্তি নাগৰিক সকলৰ ওপৰতেই নিৰ্ভৰ কৰে। নাগৰিক সকল যদি স্বাধীন, সচেতন আৰু সুৰক্ষিত নহয়, তেন্তে ৰাষ্ট্ৰৰ উন্নতি সম্ভৱ নহয়। এই উদ্দেশ্যে ৰাষ্ট্ৰই নাগৰিকসকলক কিছুমান বিশেষ অধিকাৰ প্ৰদান কৰে যাক নাগৰিক অধিকাৰ বোলা হয়। নাগৰিক অধিকাৰ বুলিলে এখন দেশৰ সংবিধান আৰু আইন অনুসাৰে নাগৰিক সকলে লাভ কৰা সেই সকলো অধিকাৰ আৰু সুবিধাক বুজায়, যেনে তেওঁলোকে সমতা, স্বাধীনতা, ন্যায়, আৰু সন্মানপূৰ্ণ জীৱন-যাপন কৰিবলৈ সক্ষম হয়। নাগৰিক অধিকাৰ হ'ল মানৱ অধিকাৰৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ অধিকাৰ যত সকলো ব্যক্তিয়ে সমান অধিকাৰ লাভ কৰে। মানৱ অধিকাৰ হিচাপে কবলৈ গলে জীৱনৰ অধিকাৰ, স্বাধীনতা সমতা, মৌলিক প্ৰয়োজনীয়তা সকলো নাগৰিক আইনৰ

চকুত সমান আৰু কোনো বৈষম্য নোহোৱাকৈ সমানে সুৰক্ষা পোৱাৰ অধিকাৰ।

**বিস্তাৰ :-** ভাৰতবৰ্ষত নাগৰিক অধিকাৰ মানে হ'ল সকলো নাগৰিকৰ সমান অধিকাৰ। নাগৰিক অধিকাৰ বুলিলে এখন ৰাষ্ট্ৰৰ সংবিধানৰ দ্বাৰা নাগৰিকসকলক প্ৰদান কৰা সেই সকলো মৌলিক অধিকাৰসমূহক বুজোৱা হয়। যিয়ে স্বাধীনতা, সমতা আৰু মৰ্যদা ৰক্ষা কৰে। ভাৰতীয় সংবিধানৰ মতে তৃতীয় অংশত এই নাগৰিকৰ অধিকাৰ সমূহ স্পষ্টভাৱে উল্লেখ কৰা হৈছে। এই অধিকাৰ সমূহে নাগৰিকক ৰাষ্ট্ৰৰ অন্যায়ৰ ব্যৱহাৰ, বৈষম্য আৰু শোষণৰ দ্বাৰা সুৰক্ষা প্ৰদান কৰে। ভাৰতবৰ্ষৰ নাগৰিক অধিকাৰে সকলো ব্যক্তিকে সমান অধিকাৰ আৰু সমান মৰ্যদা প্ৰদান কৰে। ভাৰতীয় সংবিধানৰ মতে ভাৰতীয় নাগৰিক হিচাপে সকলোকে নিজৰ ধৰ্ম, সমতা, স্বাধীনতা, ভোটদানৰ অধিকাৰ, সকলোকে সমান ধৰণে প্ৰদান কৰিছে। সকলো ব্যক্তিক ভাৰত চৰকাৰে নাগৰিক হিচাপে স্বাধীন কৰিছে। সকলোবোৰ সমান অধিকাৰ কোনো ধৰ্ম বা জাতিৰ ভেদা-ভেদ হোৱাত নাই।

নাগৰিকৰ অধিকাৰৰ কিছুমান প্ৰকাৰ আছে, তাৰে ভিতৰত হ'ল—

(i) ভোটদানৰ অধিকাৰ :- নিৰ্দিষ্ট বয়সৰ প্ৰতিজন নাগৰিকে নিজৰ প্ৰতিনিধি বাছনি কৰাৰ বাবে ভোট দিব পাৰে।

(ii) জীৱন অধিকাৰ :- কোনো ব্যক্তিয়ে অন্যায়ভাৱে কাৰো জীৱন কাঢ়ি নিব নোৱাৰে।

(iii) ব্যক্তিগত স্বাধীনতা :- আইনসন্মত কাৰণ অবিহনে কাকো বন্দী কৰিব নোৱাৰে।

(iv) সমতাৰ অধিকাৰ :- জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো নাগৰিক আইনৰ চকুত সমান। এইবোৰ হ'ল পৌৰ বা অসামৰিক অধিকাৰ।

(v) নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ : যোগ্যতা অনুসৰি এজন নাগৰিকে নিৰ্বাচনত থিয় হ'ব পাৰে।

(vi) চৰকাৰী পদ গ্ৰহণৰ অধিকাৰ : অৰ্হতা থকা প্ৰতিজন নাগৰিকে চৰকাৰী চাকৰি বা পদৰ বাবে আবেদন কৰিব পাৰে।

শোষণৰ বিৰুদ্ধে অধিকাৰ :- সমাজৰ দুৰ্বল আৰু অসহায় শ্ৰেণীৰ সুৰক্ষাৰ বাবে প্ৰদান কৰা হৈছে। এই অধিকাৰৰ

অধীনত মানৱ সৰবৰাহ, জোৰকৈ শ্ৰম কৰোৱা আৰু বাল্যশ্ৰম নিষিদ্ধ কৰা হৈছে। এই অধিকাৰে মানৱ মৰ্যদা ৰক্ষা কৰি সামাজিক ন্যায় প্ৰতিষ্ঠা কৰাত সহায় কৰে। এই সকলো অধিকাৰৰ সৈতে নাগৰিকৰ কৰ্তব্যত জড়িত হৈ থাকে। অধিকাৰ সঠিকভাৱে ব্যৱহাৰ নকৰিলে সমাজত বিশৃংখলা সৃষ্টি হব পাৰে। সেয়েহে নাগৰিক সকলে নিজৰ অধিকাৰৰ লগতে আনক সন্মান জনোৱাটো অতি প্ৰয়োজনীয়।

**সামৰণি:** মানৱ অধিকাৰ হিচাপে নাগৰিক অধিকাৰৰ প্ৰয়োজনীয়তা বহুত আছে। কিয়নো প্ৰতিজন নাগৰিকে নিজৰ অধিকাৰ সম্পৰ্কে সচেতন হোৱাৰ লগে লগে সংবিধানৰ প্ৰতি সন্মান জনাই নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিব লাগিব। তেতিয়াহে এখন শক্তিশালী, ন্যায়ভিত্তিক আৰু উন্নত ভাৰত গঢ় লৈ উঠিব। নাগৰিক অধিকাৰ হল এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ মেৰুদণ্ড।

মানৱ অধিকাৰ হিচাপে নাগৰিক অধিকাৰৰ প্ৰয়োজনীয়তা অত্যন্ত ব্যাপক। নাগৰিক অধিকাৰ সমূহ হল সেইবোৰ আইনী আৰু নৈতিক অধিকাৰ, যিবোৰ এজন

ব্যক্তিক সমাজত সৰ্বদা আৰু স্বাধীনভাৱে জীয়াই থকাৰ নিশ্চয়তা প্ৰদান কৰে। এজন মানুহে জীয়াই থাকিবলৈ যিবোৰ মৌলিক সুবিধাৰ প্ৰয়োজন সেইবোৰ নাগৰিক অধিকাৰৰ অন্তৰ্ভুক্ত। ই মানুহৰ ব্যক্তিত্ব বিকাশত সহায় কৰে। এনে সমাজ গঠন আৰু মানৱ অধিকাৰৰ বাস্তৱ ৰূপ দিবলৈ হ'লে নাগৰিকৰ অধিকাৰ অপৰিহাৰ্য।

০০০

# সাংস্কৃতিক অধিকাৰ আৰু মানৱ অধিকাৰ

ৰিম্মা ডেকা

**আৰম্ভণি :-** মানৱ সমাজ প্ৰকৃততেই বৈচিত্ৰ্যপূৰ্ণ। পৃথিৱীৰ বিভিন্ন দেশ, ৰাজ্য আৰু অঞ্চলত বাস কৰা মানুহবোৰৰ ভাষা, ধৰ্ম, ৰীতি-নীতি, পৰম্পৰাগত পোছাক, খাদ্যভ্যাস আৰু জীৱন পদ্ধতি একে নহয়। এই বৈচিত্ৰ্যই সমাজখনক সমৃদ্ধ কৰি তোলে আৰু সভ্যতাৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, কিন্তু এই বৈচিত্ৰ্য বজাই ৰাখিবলৈ হলে ব্যক্তি আৰু সম্প্ৰদায়ে নিজৰ সংস্কৃতি অনুসৰণ সংৰক্ষণ আৰু বিকাশ কৰাৰ স্বাধীনতা বা অধিকাৰকেই সাংস্কৃতিক অধিকাৰ বুলি কোৱা হয়। সাংস্কৃতিক অধিকাৰ মানৱ অধিকাৰৰ এক অতি গুৰুত্বপূৰ্ণ অংশ যিয়ে মানুহৰ আত্মপৰিচয় আত্মসন্মান আৰু সামাজিক অস্তিত্ব সুৰক্ষিত কৰে।

**বিস্তাৰ :-** সাংস্কৃতিক অধিকাৰ বুলিলে এজন ব্যক্তি বা কোনো গোষ্ঠীয়ে নিজৰ ভাষা, ধৰ্ম, ৰীতি, নীতি, পৰম্পৰা, কলা-সংস্কৃতি আৰু সামাজিক আচাৰ-অনুষ্ঠান স্বাধীন ভাৱে পালন আৰু বিকাশ কৰাৰ অধিকাৰক বুজায়। এই

অধিকাৰৰ জৰিয়তে মানুহে নিজৰ সংস্কৃতিৰ সৈতে জড়িত হৈ থাকি সমাজত সন্মানসহ জীৱন যাপন কৰিব পাৰে।

সাংস্কৃতিক অধিকাৰৰ ভিতৰত কেইবাটাও গুৰুত্বপূৰ্ণ দিশ অন্তৰ্ভুক্ত আছে। প্ৰথমতে ভাষাৰ অধিকাৰ, ভাষা হ'ল সংস্কৃতিৰ প্ৰাণ। এজন ব্যক্তিয়ে নিজৰ মাতৃভাষা ব্যৱহাৰ কৰা, সংৰক্ষণ কৰা আৰু বিকাশ কৰাৰ অধিকাৰ লাভ কৰিব লাগে। ভাষা লুপ্ত হ'লে সংশ্লিষ্ট সংস্কৃতিও ধীৰে ধীৰে লুপ্ত হয়। সেয়েহে ভাষাগত অধিকাৰ সাংস্কৃতিক অধিকাৰৰ এক মুখ্য অংগ।

দ্বিতীয়তে, ধৰ্মীয় অধিকাৰ, প্ৰতিটো ব্যক্তিয়ে নিজৰ বিশ্বাস অনুসৰি ধৰ্ম পালন কৰা, উপাসনা কৰা আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠান সম্পাদনা কৰাৰ অধিকাৰ আছে। ধৰ্ম মানুহৰ নৈতিকতা, মূল্যবোধ আৰু জীৱন-দৰ্শনৰ সৈতে গভীৰভাৱে জড়িত। এই অধিকাৰ অস্বীকাৰ কৰা হ'লে সমাজত অসন্তোষ আৰু সংঘাত সৃষ্টি হ'ব পাৰে।

তৃতীয়তে, ৰীতি-নীতি আৰু পৰম্পৰা পালন কৰাৰ অধিকাৰ। প্ৰত্যেক সম্প্ৰদায়ৰ নিজস্ব সামাজিক আচাৰ-উৎসৱ-পাৰ্বন আৰু পৰম্পৰা থাকে, এইবোৰ পালন

কৰাৰ অধিকাৰ সমাজৰ ঐতিহ্য আৰু ঐতিহাসিক জীয়াই ৰাখে। পৰম্পৰা কেৱল অতীতৰ চিহ্ন নহয়, বৰঞ্চ ই ভৱিষ্যৎ প্ৰজন্মক নিজৰ মূলৰ সৈতে সংযোগ কৰি ৰাখে।

চতুৰ্থতে, কলা-সংস্কৃতিৰ অধিকাৰ। সাহিত্য, সংগীত, নৃত্য, নাটক, চিত্ৰকলা আদি মানৱ সংস্কৃতিৰ অমূল্য সম্পদ। এজন ব্যক্তিয়ে এই ক্ষেত্ৰসমূহত সৃজনশীলতা প্ৰকাশ কৰা আৰু সমাজে তাক স্বীকৃতি দিয়াটো সাংস্কৃতিক অধিকাৰৰ অন্তৰ্গত। এই অধিকাৰে মানৱ সভ্যতাৰ বৌদ্ধিক আৰু নান্দনিক বিকাশত সহায় কৰে।

ভাৰতীয় সংবিধানত সাংস্কৃতিক অধিকাৰক বিশেষ গুৰুত্ব দিয়া হৈছে। ভাৰত এখন বহুভাষিক, বহুধৰ্মী আৰু বহু সাংস্কৃতিক দেশ হোৱাৰ বাবে সংবিধান ৰচনা কৰা সকলৰ বাবে এই অধিকাৰসমূহ সংৰক্ষণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। সংবিধান ২৯ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ যিকোনো নাগৰিকে নিজৰ ভাষা, লিপি আৰু সংস্কৃতি সংৰক্ষণ কৰাৰ অধিকাৰ আছে। ইয়াৰ উপৰিও অনুচ্ছেদ ৩০ ত সংখ্যালঘু সম্প্ৰদায়সমূহক নিজৰ শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে.

যাতে তেওঁলোকে নিজৰ সংস্কৃতি আৰু মূল্যবোধ আগবঢ়াই নিয়াব পাৰে।

সাংস্কৃতিক অধিকাৰ বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ বাবে অতি গুৰুত্বপূৰ্ণ। বৃহৎ সংখ্যাগৰিষ্ঠ সংস্কৃতিৰ প্ৰভাৱত সৰু গোষ্ঠীসমূহে ভাষা আৰু পৰম্পৰা লুপ্ত হোৱাৰ আশংকা থাকে। সাংস্কৃতিক অধিকাৰে এই সম্প্ৰদায়সমূহক সুৰক্ষা প্ৰদান কৰি সমাজত সমতা আৰু ন্যায় স্থাপন কৰে।

**সামৰণি :-** সাংস্কৃতিক অধিকাৰ মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংশ। এই অধিকাৰ অবিহনে মানুহে নিজৰ আত্মপৰিচয়, ইতিহাস আৰু ঐতিহ্য ৰক্ষা কৰিব নোৱাৰে। সমাজৰ বৈচিত্ৰ্য, শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ সাংস্কৃতিক অধিকাৰৰ সঠিক সংৰক্ষণ আৰু নাগৰিক আৰু ৰাষ্ট্ৰই সাংস্কৃতিক অধিকাৰৰ প্ৰতি সচেতন হৈ ইয়াক সন্মান, সুৰক্ষা আৰু বিকাশৰ সুযোগ প্ৰদান কৰা উচিত। তেতিয়াহে এক সুস্থ, সহনশীল আৰু উন্নত সমাজ গঢ়ি তোলা সম্ভৱ হ'ব।

০০০

# শিক্ষাৰ অধিকাৰ

দিপাক্ষিতা ডেকা

**আৰম্ভণি :-** শিক্ষাৰ অধিকাৰ হৈছে প্ৰতিজন শিশুৰ বাবে এক মৌলিক অধিকাৰ, যি তেওঁলোকক জীয়াই থকা সুৰক্ষা, বিকাশ আৰু অংশগ্ৰহণৰ দৰে চাৰিটা মূল ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে, যত শিক্ষা, স্বাস্থ্য, পৰিচয় আৰু সুস্থ পৰিবেশ লাভ কৰাৰ অধিকাৰ অন্তৰ্ভুক্ত, এই অধিকাৰ বোৰ নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় আৰু আন্ত: ৰাষ্ট্ৰীয় আইন আছে, যিবোৰৰ লক্ষ্য হৈছে শিশুসকলক ভৱিষ্যতৰ সু-নাগৰিক হিচাপে গঢ়ি তোলা। যি সমাজৰ সামূহিক প্ৰয়াসৰ দ্বাৰা সমাধান কৰিব লাগিব।

**বিস্তাৰ :-** শিক্ষাৰ অধিকাৰ আইনৰ মূল বিষয়সমূহ-

সংবিধানৰ ৮৬ নং সংশোধনী (২002)ৰ দ্বাৰা ২১ নং অনুচ্ছেদ যোগ কৰা হৈছিল, যিয়ে শিক্ষাক এক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিলে।

৬-১৪ বছৰ বয়সৰ সকলো শিক্ষাৰ্থী কোনো মাচুল বা অন্যান্য ব্যয় অবিহনে প্ৰাথমিক শিক্ষা লাভ কৰিব।

এই আইনে নিশ্চিত কৰে যে কোনো শিশুৱে যাতে শিক্ষাৰ সুযোগ হেৰুৱাব নোৱাৰে আৰু বিদ্যালয়ৰ পৰা আঁতৰি থকা শিশুক বয়স অনুযায়ী উপযুক্ত শ্ৰেণীত ভৰ্তি কৰোৱা হ'ব।

জাতি, ধৰ্ম, লিংগ বা আৰ্থ-সামাজিক অৱস্থা নিৰ্বিশেষে সকলো শিশুৰ বাবে উপযুক্ত শিক্ষা নিশ্চিত কৰা আৰু সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰা।

অসম চৰকাৰৰ শিক্ষা বিভাগেও এই আইনখন কাৰ্যকৰী কৰাৰ বাবে বিভিন্ন পদক্ষেপ লৈছে, যত সমগ্ৰ শিক্ষা অসমৰ দৰে কাৰ্যসূচীও অন্তৰ্ভুক্ত।

**সামৰণি :-** শিশুৰ অধিকাৰ সুনিশ্চিত কৰা কেৱল চৰকাৰৰ নহয়, সমাজৰ প্ৰতিজন ব্যক্তিৰ দায়িত্ব। শিশু সকলক সুস্থ পৰিৱেশ আৰু শিক্ষা দি তেওঁলোকক দেশৰ দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাটোৱেই আমাৰ লক্ষ্য।

০০০

# মানৱ অধিকাৰ আইন

জেউতি নাথ

**আৰম্ভণি :-** মানৱ অধিকাৰ আইনৰ আৰম্ভণি চুক্তি আৰু ঘোষণাপত্ৰৰ জৰিয়তে হৈছিল, যাৰ মূল ভিত্তি হ'ল ১৯৪৮ চনত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা সাৰ্বজনীন মানৱ অধিকাৰৰ ঘোষণা, যি সকলো মানুহৰ মৌলিক অধিকাৰ আৰু স্বাধীনতাৰ সাৰ্বজনীন স্বীকৃতি দিছিল, ইয়াৰ আগতে, ১৯শ শতিকাৰ শেষৰ ফালে দাসত্ব বিৰোধী আন্দোলন আৰু ১৯১৫ চনত আৰ্মেনিয়ান গণহত্যাৰ পিছত ৰাষ্ট্ৰৰ দায়বদ্ধতাৰ ধাৰণাৰ দৰে কিছুমান গুৰুত্বপূৰ্ণ ঘটনাও আছিল। যিয়ে আধুনিক মানৱ অধিকাৰ আইনৰ ভিত্তি স্থাপন কৰিছিল।

**বিস্তাৰ :-** ভাৰতত মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ চনত অধীনত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰা হৈছিল, যিয়ে মানৱ অধিকাৰ উলংঘনৰ অভিযোগ সমূহ বিবেচনা কৰে. মানৱ অধিকাৰ আইনৰ আৰম্ভণি প্ৰাচীন কালৰ পৰা আৰম্ভ হৈছিল যদিও ১৯৪৮ চনৰ UDHR-এ ইয়াৰ আধুনিক ৰূপ দিছিল আৰু ৰাষ্ট্ৰীয়

আইনৰ জৰিয়তে ই বিকশিত হৈ আহিছে। প্ৰাচীন পাৰস্যৰ চাইৰাছ দ্য গ্ৰেট মুক্তি পোৱা দাস, ধৰ্মীয় স্বাধীনতাত আৰু জাতিগত সমতাৰ বাবে দিয়া আদেশক বিশ্বৰ প্ৰথম মানৱ অধিকাৰৰ চনদ হিচাপে গন্য কৰা হয়।

মৌলিক অধিকাৰ সমূহ → নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ, জীৱন, স্বাধীনতা আৰু নিৰাপত্তাৰ অধিকাৰ, দাসত্ব আৰু নিৰ্যাতনৰ পৰা মুক্তি, বাক্-স্বাধীনতা, ধৰ্মীয় স্বাধীনতা আৰু শান্তিৰে সমবেত হোৱাৰ অধিকাৰ, আইনৰ দৃষ্টিত সমতা আৰু ন্যায় বিচাৰৰ অধিকাৰ।

অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ- কৰ্ম আৰু শিক্ষাৰ অধিকাৰ, স্বাস্থ্য আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ; পৰিয়াল গঠনৰ অধিকাৰ।

**সামৰণি :-** মানৱ অধিকাৰ আইনৰ লক্ষ্য হৈছে এনে এখন সমাজ গঢ়ি তোলা য'ত সকলোৱে কোনো ভেদাভেদ নোহোৱাকৈ মৰ্যদা আৰু ন্যায়ৰ সৈতে জীৱন যাপন কৰিব পাৰে, য'ত ৰাষ্ট্ৰীয় কৰ্তব্য হৈছে এই অধিকাৰ সমূহক সন্মান ৰক্ষা আৰু পুৰণ কৰা।

০০০

# মানৱ অধিকাৰৰ ধাৰণাৰ বিকাশ

ডেইজি ডেকা

**আৰম্ভণি :-** মানৱ অধিকাৰ ধাৰণাৰ বিকাশ বুলিলে সাধাৰণতে অধিকাৰসমূহ চিনাক্তকৰণ, প্ৰচাৰ আৰু সুৰক্ষাৰ এক ঐতিহাসিক প্ৰক্ৰিয়াক বুজায় যি দ্বিতীয় বিশ্বযুদ্ধৰ পিছত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰ গৃহীত হোৱাৰ পিছত গতি লাভ কৰিছিল। যি বিশ্বজুৰি মানৱ মৰ্যদা, স্বাধীনতা আৰু ন্যায়ৰ বাবে এক মানদণ্ড স্থাপন কৰে আৰু পিছলৈ বিভিন্ন আন্ত: ৰাষ্ট্ৰীয় চুক্তি আৰু ৰাষ্ট্ৰীয় আইনৰ জৰিয়তে ইয়াৰ বিকাশ অব্যাহত আছে, যত শিক্ষা, সজাগতা আৰু সামূহিক প্ৰচেষ্টাৰ গুৰুত্ব আছে।

**বিস্তাৰ :-** মানৱ অধিকাৰ বিকাশত মূল পদক্ষেপসমূহ - আধুনিক ধাৰণা হিচাপে বিশ্বযুদ্ধৰ পিছত ইয়াৰ বিকাশ ঘটে। কিন্তু প্ৰাচীন ভাৰতীয় ধাৰণাটো ইয়াৰ প্ৰতিফলন দেখা যায়। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰ: ১৯৪৮ চনত ৰাষ্ট্ৰসংঘই এই ঘোষণা পত্ৰ গৃহীত কৰে, যি সকলো মানুহৰ বাবে মৌলিক অধিকাৰ এক কাঠামো প্ৰদান কৰে। আন্ত:ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আইনৰ বিকাশত অনুপ্ৰাণিত কৰে, যাৰ

ফলত ১৯৬৬ চনত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ বিল গৃহীত হয়।

মানৱ অধিকাৰৰ বিকাশৰ মূল দিশ- সকলো মানুহৰ বাবে, কোনো ভেদাভেদ নোহোৱাকৈ এই অধিকাৰ প্ৰযোজ্য। সকলো অধিকাৰ সমানে গুৰুত্বপূৰ্ণ। এটা অধিকাৰ পূৰণ হ'লে আন আন অধিকাৰ পূৰণো প্ৰয়োজনীয়, যেনে- শিক্ষাৰ অধিকাৰ স্বাস্থ্যৰ বাবে জৰুৰী। ৰাষ্ট্ৰসমূহৰ এই অধিকাৰসমূহ ৰক্ষা কৰাৰ আইনগত দায়িত্ব আছে।

**সামৰণি :-** মানৱ অধিকাৰ বিকাশৰ সামৰণি হৈছে এনে এখন বিশ্ব গঢ়া, য'ত প্ৰতিজন ব্যক্তিয়ে নিজৰ মেধা, বুদ্ধি আৰু বিবেকৰ পূৰ্ণ ব্যৱহাৰ কৰি মৰ্যাদাপূৰ্ণ, মুক্ত আৰু সুৰক্ষিত জীৱন যাপন কৰিব পাৰে, য'ত চৰকাৰ বা কোনো সংগঠনে এই অধিকাৰ উলংঘন কৰিব নোৱাৰে।

ooo

# SOPHIA-ছ'ফিয়া

A Manuscript magazine published by the department of Philosophy, Bapujee College, Sarukhetri, Barpeta, Assam.

# EDITORIAL BOARD




Editor:- Himashree Deka

**Members :-** Dipashmita Deka, Tinku Deka, Himashree Deka, Lipika Talukdar, Rita Barman, Dimpi Barman, Rima Deka, Dipandita Deka, Daizy Deka, Jeuti Nath .

**Executive Members:-** **Dr. Mintu Devi**

**Dr. Namita Das**

**Mr. Konseng Baruah**

Sophia-ছ'ফিয়া 1st year, 1st Edition, ~~December~~ May 2026